NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কৈছে যে, সত্য কথাই আইন ব্যৱস্থাৰ সৈতে জড়িত সকলোকে অধিক শক্তিশালী কৰি তোলে।

২। কেন্দ্ৰীয় তীখা আৰু গধুৰ উদ্যোগ বিভাগৰ ৰাজ্য মন্ত্ৰী ভূপতিৰাজু শ্ৰীনিবাসে কয় যে ১৪ কোটি ৪০ মিলিয়ন তীখা উৎপাদনেৰে ভাৰত দ্বিতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব।

*আৰু*

৪। ভাৰতে ভূটানৰ থিমফুত অনুষ্ঠিত ছাফ ১৭ বছৰ অনুৰ্ধ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কৈছে যে, সত্য কথাই আইন ব্যৱস্থাৰ সৈতে জড়িত সকলোকে অধিক শক্তিশালী কৰি তোলে। আজি হায়দৰাবাদৰ নালচাৰ আইন বিশ্ববিদ্যালয়ৰ ২১ সংখ্যক দীক্ষান্ত সমাৰোহক সম্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে সমাজৰ প্ৰান্তীয় শ্ৰেণীৰ প্ৰতি সামাজিক ন্যায় প্ৰদানৰ হকে কাম কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীমতী মুৰ্মুৱে ছাত্ৰীসকলক তেওঁলোকৰ উন্নত প্ৰদৰ্শনৰ বাবে প্ৰশংসা কৰাৰ লগতে মহিলা সৱলীকৰণৰ দিশে তেওঁলোকক কাম কৰি যাবলৈ আহ্বান জনায়। মহিলাৰ বিৰুদ্ধে বাঢ়ি অহা নিৰ্যাতনসমূহৰ সন্দৰ্ভত গভীৰ উৎকণ্ঠা প্ৰকাশ কৰি তেওঁ কয় যে, আমি সকলোৱে ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়া উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে আজিৰ দীক্ষান্ত সমাৰোহত অধ্যয়নৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীসকলক সোণৰ পদক প্ৰদান কৰে। অনুষ্ঠানত তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱবৰ্মা, তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডী, ন্যায়াধীশ পি এছ নৰসিংহা, নালছাৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ন্যায়াধীশ আলোক আৰাধে আদিও উপস্থিত থাকে।

উল্লেখযোগ্য যে, শ্ৰীমতী মুৰ্মুৱে আজি ছিকন্দ্ৰাবাদত থকা ৰাষ্ট্ৰপতি নিলয়মত ভাৰতীয় কলা মহোৎসৱ উদ্বোধন কৰিব। ৮ দিনীয়াকৈ হ'বলগীয়া এই কলা মহোৎসৱত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ কলা সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। আটাইকেইখন ৰাজ্যৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলে এই কলা মহোৎসৱত ভাগ ল'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ হিছাৰত বিজেপিৰ জন আশীৰ্বাদ শোভাযাত্ৰাক সম্বোধন কৰে। তেওঁ কয় যে, কংগ্ৰেছ দল ক্ষমতাত থকা কোনো এখন ৰাজ্যতে স্থিৰতা দেখিবলৈ

পোৱা নাযায়, কিয়নো দলটোৱে নিৰ্বাচনৰ সময়ত প্ৰদান কৰা মিছা প্ৰতিশ্ৰুতিবোৰ কেতিয়াও পূৰণ নকৰে। তেওঁ লগতে কংগ্ৰেছ দলটোৱে সংৰক্ষণ ব্যৱস্থাৰ অন্ত পেলাব বিচৰা বুলিও অভিযোগ উত্থাপন কৰে। বিজেপিয়ে কৃষকসকলৰ সমস্যাসমূহ সমাধানৰ বাবে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে হাৰিয়ানাত বিজেপি চৰকাৰে ২৪ বিধ শস্যক নূন্যতম সমৰ্থন মূল্যত ক্ৰয় কৰা বুলিও মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ২০১৬ চনত ভাৰতীয় সেনাই উৰিত চলোৱা চাৰ্জিকেল ষ্ট্ৰাইকৰ বিষয়ে উল্লেখ কৰি কয় যে, সেই আক্ৰমণৰ প্ৰমাণ বিচাৰি কংগ্ৰেছে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ বিশ্বাসযোগ্যতাৰ ওপৰতে প্ৰশ্ন তুলিছিল। অনুষ্ঠানত বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লালে কয় যে,  আই এন ডি আই মিত্ৰজোঁটে হাৰিয়ানাত পৰাজয়ৰ সন্মুখীন হোৱাৰ ভয়তে মিত্ৰতা স্থাপন নকৰিলে।

0000000

কেন্দ্ৰীয় তীখা আৰু গধুৰ উদ্যোগ বিভাগৰ ৰাজ্য মন্ত্ৰী ভূপতিৰাজু শ্ৰীনিবাসে কয় যে ১৪ কোটি ৪০ মিলিয়ন তীখা উৎপাদনেৰে ভাৰত দ্বিতীয় সৰ্ববৃহৎ দেশ হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত স্বচ্ছ তীখা উৎপাদনৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি মন্ত্ৰী গৰাকীয়ে তীখাৰ ক্ষেত্ৰখনত প্ৰযুক্তিগত উদ্ভাৱন আৰু দক্ষতাৰ প্ৰশংসা কৰে, যিয়ে সমগ্ৰ বিশ্বৰ তীখা উৎপাদন প্ৰায় ২ বিলিয়ন টন বৃদ্ধি কৰিছে। মন্ত্ৰীগৰাকীয়ে তীখা খণ্ডৰ ভৱিষ্যৎ ডিজিটেলাইজেছন আৰু বহনক্ষম তীখা উৎপাদনৰ ওপৰত নিৰ্মিত হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ মুখ্য আৰু গৌণ উভয় ধাতু উৎপাদককে কম কাৰ্বনযুক্ত ধাতু উৎপাদন কৰিবলৈও আহ্বান জনায়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুক্তিযোদ্ধা শ্বহীদ ভগত সিঙৰ প্ৰতি তেওঁৰ জয়ন্তীত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে ভগত সিঙক স্মৰণ কৰি কয় যে তেওঁ এগৰাকী অমৰ শ্বহীদ, যি নিজৰ মাতৃভূমিৰ সন্মান ৰক্ষাৰ বাবে নিজৰ জীৱন আহুতি দিছিল।

গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে বিপ্লৱী ভগত সিঙে কেৱল ব্ৰিটিছ শাসনৰ বিৰুদ্ধে মাত মতা নাছিল, বৰং দেশৰ স্বাধীনতা আৰু সোণালী ভৱিষ্যতৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিছিল। শ্ৰীশ্বাহে কয় যে ভগত সিঙৰ ত্যাগ পৰৱৰ্ত্তী সময়ত বৃহৎ অগ্নিশিখাত পৰিণত হৈছিল আৰু সমগ্ৰ দেশকে স্বাধীনতা লাভৰ প্ৰতি উদ্বুদ্ধ কৰি তুলিছিল।

0000000

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰীৰাজ সিঙে কৈছে যে, তেওঁৰ বিভাগে দেশৰ হস্ততাঁত আৰু হস্তশিল্পৰ সামগ্ৰীসমূহৰ ৰপ্তানিৰ ক্ষেত্ৰত ৬০ হাজাৰ কোটি টকাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। হস্ততাঁত আৰু হস্তশিল্পৰ সামগ্ৰীসমূহৰ ৰপ্তানি মূল্য বৰ্তমান ৪৫ হাজাৰ কোটি টকা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই সংখ্যাটো প্ৰচাৰ, আৰ্থিক সাহায্য আৰু প্ৰশিক্ষণৰ জৰিয়তে বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰে। আজি বিহাৰৰ পাটনাৰ উপেন্দ্ৰ মহাৰথী শিল্প সংস্থানত হস্তশিল্পৰ বাবে ৰপ্তানি প্ৰচাৰ পৰিষদৰ প্ৰথমটো কাৰ্যালয় মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। গ্ৰামাঞ্চলসমূহৰ হস্তশিল্পৰ সামগ্ৰীসমূহ বহুলভাৱে জনপ্ৰিয় কৰি তুলিবলৈ কৃত্ৰিম বুদ্ধিমত্তা আৰু থ্ৰীডিৰ দৰে নতুন প্ৰযুক্তিসমূহ আকোৱালি ল'ব লাগিব বুলিও শ্ৰী সিঙে লগতে কয়। থলুৱা হস্তশিল্পীসকলৰ সামগ্ৰীসমূহৰ ৰপ্তানি বৃদ্ধি কৰিবলৈ জি আই স্বীকৃতিপ্ৰাপ্ত সামগ্ৰীৰ সংখ্যা বঢ়াব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ বিভাগৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অহা ৩০ ছেপ্তেম্বৰৰ পৰা ৯ দিনীয়া বিদেশ ভ্ৰমণ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে মেক্সিকো, গ্ৰেণাডা, বাৰ্বাডোছ আৰু এণ্টিগুয়া তথা বাৰ্বুডালৈ আনুষ্ঠানিকভাৱে ভ্ৰমণ কৰিব। এই কাৰ্যসূচীত শ্ৰী মাৰ্ঘেৰিটাই ড° ক্লাউডিয়া শ্বেইনবামৰ মেক্সিকোৰ ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। শ্ৰী মাৰ্ঘেৰিটাই এই চাৰি দেশীয় ভ্ৰমণ কাৰ্যসূচীত ভাৰতীয় মূলৰ নাগৰিকসকলৰ সৈতে ৰাজনৈতিক, ব্যৱসায়িক তথা শৈক্ষিক বিষয়ত বাৰ্তালাপ কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰে। এই ভ্ৰমণকালত ভাৰত আৰু লেটিন আমেৰিকা তথা কেৰিবিয়ান দেশসমূহৰ আন্তঃসম্পৰ্ক অধিক শক্তিশালী হোৱাৰ লগতে গ্ল’বেল ছাউথৰ অংশীদাৰসকলৰ সৈতে অধিক সহযোগিতাৰ পথ মুকলি হ’ব বুলিও বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে আশা প্ৰকাশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব। এয়া হ’ব এই অনুষ্ঠানৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে কাইলৈ দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ’ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ’ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনত সকলো ভোটদাতাকে ব্যাপক হাৰত ভোটদান কৰি গণতন্ত্ৰৰ উৎসৱক সফল কৰি তুলিবলৈ আহ্বান জনাইছে। সমাগত নিৰ্বাচনৰ বাবে সকলোধৰণৰ প্ৰস্তুতিৰ বুজ ল’বলৈ দুদিনীয়া ভ্ৰমণসূচীৰে মহাৰাষ্ট্ৰলৈ যোৱা মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এইদৰে প্ৰকাশ কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত  শ্ৰী কুমাৰ, নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সন্ধুৱে আজি ১১ টা ৰাজনৈতিক দল আৰু বিভিন্ন বিধি বলৱৎকাৰী সন্থাৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হয়।

০০০০০০০

ভাৰতে ভূটানৰ থিমফুত অনুষ্ঠিত ছাফ ১৭ বছৰ অনুৰ্ধ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতে তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক ছেমিফাইনেল খেলখনত নেপালক ৪-২ গ’লত পৰাস্ত কৰে। ভাৰতৰ হৈ বিশাল য়াদৱে দুটা আৰু ঋষি সিং আৰু হেমনেই চুং লুংকিমে এটাকৈ গ’ল কৰে। পাকিস্তান আৰু বাংলাদেশৰ মাজত হ’বলগীয়া দ্বিতীয়খন ছেমিফাইনেলৰ বিজয়ী দলটোৰ বিৰুদ্ধে ভাৰতে ৩০ ছেপ্তেম্বৰত প্ৰতিযোগিতাৰ ফাইনেল খেলখনত অৱতীৰ্ণ হ’ব। উল্লেখযোগ্য যে, ছাফ ১৭ বছৰ অনুৰ্ধৰ ফুটবল প্ৰতিযোগিতাখনত ভাৰতে পূৰ্বে ৫ বাৰকৈ বিজয়ীৰ খিতাপ দখল কৰিছে।

০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীন পাৰ্কত চলি থকা  দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলৰ দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বাংলাদেশে প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰি কালি প্ৰথম দিনাৰ খেলৰ অন্তত তিনি উইকেটৰ বিনিময়ত ১০৭ ৰান কৰিছিল। বাংলাদেশৰ হৈ মমিউল হকে ৪০ ৰাণ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ঘৰুৱা দল ভাৰতৰ হৈ আকাশ দীপে দুটা আৰু ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰে। ভাৰতে ইতিমধ্যে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ২৮০ ৰানত জয়লাভ কৰি শৃংখলাটোত অগ্ৰগতি লাভ কৰিছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হাই আজি জম্মুৰ ৰাজভৱনত পেৰিচ পেৰালিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা শীতল দেৱী আৰু ৰাকেশ কুমাৰক সম্বৰ্ধনা জনায়। শ্ৰী সিনহাই জম্মু-কাশ্মীৰৰ পেৰা ধৰ্নুবিদদ্বয়ক পেৰিচ পেৰালিম্পিক ২০২৪ত তেওঁলোকৰ উল্লেখনীয় প্ৰদৰ্শনৰ বাবে প্ৰশংসা কৰে।

০০০০০০০

সমাপ্ত